# নগাঁৱৰ গ্ৰামাঞ্চলত এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ নামত ধন সংগ্ৰহ দুষ্ট চক্ৰৰ

জনসাধাৰণ সেৱা, বেৰেজীয়া, ১১ আগষ্ট ঃ সমগ্ৰ ৰাজ্যতে বৰ্তমানে পূৰ্ণগতিত চলি আছে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ পূৰণৰ কাম-কাজ। কিন্তু এই প্ৰ-পত্ৰ পূৰণৰ বেলিকা সৰ্বসাধাৰণ গৰাকীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। যাইকে অল্পশিক্ষিত আৰু সহজ-সৰল গৰাকীৰ মাজত বোধগম্যতাৰ অভাৱৰ হেতু এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত অধিক জটিলতাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। সেয়ে প্ৰ-পত্ৰ পূৰণ কৰাত অসুবিধাৰ মুখামুখি হোৱা বহু লোকে উপায়হীন হৈ এই প্ৰ-পত্ৰ পূৰণ কৰিব জনা লোকক কাকুতি-মিনতি কৰিবলগীয়া হৈছে। যাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে এচাম সুবিধাবাদী অসাধু ব্যক্তিয়ে। জানিব পৰা মতে, এই দুষ্ট চক্ৰটোৱে একাংশ গ্ৰামাঞ্চলবাসীৰ সৰলতা তথা নিৰক্ষৰতাৰ সুযোগ গ্ৰহণ কৰি এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ বাবদ ধন সংগ্ৰহৰ অবাধে ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। অভিযোগ অনুসৰি, নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং, কাছমাৰী আৰু শিলপুখুৰী মৌজাৰ অন্তৰ্গত অধিকাংশ গ্ৰামাঞ্চলতে অব্যাহত আছে এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ নামত ব্যৱসায়। আনকি কোনো কোনো ঠাইত পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখতেই চকী-মেজ লৈ বহি প্ৰ-পত্ৰ পূৰণৰ বেহা নিৰ্বিঘ্নে চলাই থকা বুলি জানিব পৰা গৈছে। অভিযোগ মতে এখন এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণ কৰি দিয়াৰ বাবদ একাংশ ভিতৰুৱা গাঁৱৰ অশিক্ষিত লোকৰ পৰা কৌশলেৰে ১৫০-৩০০ টকাপৰ্যন্ত আদায় কৰি উক্ত দুষ্ট চক্ৰটোৱে চলাই আহিছে অভাৱনীয় লুণ্ঠনৰাজ। ইফালে, এন আৰ চিৰ প্ৰ-পত্ৰৰ সৈতে জমা দিবলগীয়া বিভিন্ন প্ৰকাৰৰ প্ৰয়োজনীয় নথি-পত্ৰ সংগ্ৰহৰ নামতো গৰাকীই ভৰিবলগীয়া হৈছে বহু পৰিমাণৰ ধন। আনকি প্ৰ-পত্ৰ পূৰণৰ ব্যৱসায় চলাই থকা উক্ত অৰ্থলোভী দুষ্ট চক্ৰটোৱে গৰাকীক ঠগাই অতিৰিক্ত নথি-পত্ৰৰ দোহাই দি এইবোৰ নথি-পত্ৰ উলিয়াই দিয়াৰ বন্দোবস্তিৰে আকৌ অতিৰিক্ত ধন সংগ্ৰহ কৰি আহিছে। ইফালে, ভূতৰ ওপৰত দানহ পৰাদি একাংশ চৰকাৰী আৰু অপ্ৰাদেশীকৃত তথা বেচৰকাৰী বিদ্যালয়ৰ প্ৰধান শিক্ষকে শিক্ষাগত অৰ্হতাৰ প্ৰমাণ-পত্ৰ আৰু এচাম স্বাস্থ্য বিভাগৰ বৃত্তিৰ কৰ্মচাৰীয়ে জন্মৰ প্ৰমাণ-পত্ৰ দিয়াৰ বাবদ ব্যাপক হাৰত ধন সংগ্ৰহ কৰাৰো গুৰুতৰ অভিযোগ উঠিছে। কেৱল এয়াই নহয়, এচাম গাঁওবুঢ়াৰ লগতে পঞ্চায়ত সভাপতি তথা একাংশ দুৰ্নীতিগ্ৰস্ত পঞ্চায়ত কৰ্মচাৰীয়ে দৰকাৰী নথি প্ৰদানৰ বেলিকাও তীব্ৰ হাৰত শোষণ চলাইছে দুৰ্ভগীয়া গৰাকীক। কাজেই, এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ নামত সৰ্বসাধাৰণ ৰাইজৰ মাজত এনেধৰণৰ হাহাকাৰ সৃষ্টি হোৱাৰ বিপৰীতে বহু নাগৰিকে নতুনকৈ আৰ্থিকভাৱে হাৰাশাস্তি ভোগ কৰিবলগীয়াত পৰিছে। গতিকে এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ জটিলতাৰ অনাম লৈ সহজ সৰল গৰাকীৰ পৰা এইদৰে অবাধে দুষ্ট চক্ৰই ধন সংগ্ৰহ কৰা কাৰ্যই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সংশ্লিষ্ট সচেতন মহলৰ মাজত।

জনসাধাৰণ 12/08/15